এদিনৰ সংবাদ - ২৪/৮

## পাথৰিঘাটত এন আৰ চিৰ কাম এশ শতাংশ সম্পূৰ্ণ ঃ চক্ৰ বিষয়া

এদিনৰ সংবাদ

দুনী, ২৩ আগষ্ট ঃ পাথৰিঘাট ৰাজহ চক্ৰ এলেকাত ভাৰতীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ কাম এশ শতাংশ সম্পূৰ্ণ হোৱা বুলি দাবী কৰে চক্ৰ বিষয়া বিদ্যুৎ বিকাশ ভাগৱতীয়ে। এক বাৰ্তালাপত চক্ৰ বিষয়াগৰাকীয়ে দুনী, বুঢ়া, বোনমাঝা, দিপীলা, পাথৰিঘাট গাঁও পঞ্চায়তত আজিৰ দিনটোলৈ এন আৰ চিৰ কাম এশ শতাংশ সম্পূৰ্ণ হোৱাটো শুভ লক্ষণ বুলি সদৰী কৰে। উল্লেখ্য যে আছুকে ধৰি অন্যান্য সংগঠনে এন আৰ চিৰ সজাগতা বৃদ্ধি কৰিছিল। তদুপৰি সংশ্লিষ্ট পঞ্চায়ত এলেকাৰ বিভিন্ন গাঁৱৰ গাঁওবুঢ়াসকলেও গাঁৱে গাঁৱে ঘূৰি এতিয়ালৈ এন আৰ চিৰ প্ৰ-পত্ৰ দাখিল কৰাৰ ক্ষেত্ৰত সজাগতা সৃষ্টি কৰা পৰিলক্ষিত হৈছে। উল্লেখ্য যে বুঢ়াগাঁও-পঞ্চায়তৰ এন আৰ চি সেৱা কেন্দ্ৰৰ শৃংখলাবদ্ধ কামক লৈ ৰাইজে সন্তোষ প্ৰকাশ কৰিছে।

অসমীয়া প্ৰতিদিন ২৫/৮

**এন আৰ চিৰ ডাটা এণ্ট্ৰিৰ কৰ্মচাৰীক বঞ্চনাৰ অভিযোগ**

## মহানগৰীৰ আই এছ এছ কোম্পানীৰ বিৰুদ্ধে উত্তাল প্ৰতিবাদ

প্ৰতিদিন মহানগৰ সেৱা, গুৱাহাটী, ২৪ আগষ্ট ঃ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী চমুকৈ এন আৰ চি উন্নীতকৰণৰ তথ্য অন্তৰ্ভুক্তিৰ দায়িত্বত থকা ইণ্টছিছ ছাৰ্ভিচেছ প্ৰাইভেট লিমিটেডৰ চানমাৰিৰ দিহাং আৰ্কেডত থকা শাখাটোত কৰ্মৰত প্ৰায় ২০০ কৰ্মচাৰীয়ে আজি সন্ধিয়া আই এছ এছৰ সঞ্চালক অঞ্জন সৰকাৰে কৰ্মচাৰীসকলক শোষণ তথা প্ৰৱঞ্চনা কৰাৰ গুৰুতৰ অভিযোগ তুলি তেওঁৰ বিৰুদ্ধে আৰক্ষী-প্ৰশাসনক ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। একাংশ কৰ্মচাৰীয়ে জনোৱামতে প্ৰতিষ্ঠানটোৰ চানমাৰি আৰু হাতীগড়ত থকা শাখা দুটাৰ বাবে ১৩০০ কৰ্মচাৰীক ঠিকাভিত্তিক ৬,২০০ টকাকৈ বেতন নিৰ্ধাৰণ কৰি ১ আগষ্টত নিয়োগ কৰা হৈছিল। দৈনিক ৬ ঘণ্টাকৈ নিৰ্ধাৰণ কৰি দিয়া এই কৰ্মচাৰীসকলক পিচলৈ প্ৰতিষ্ঠানটোৱে ৮-৯ ঘণ্টাকৈ কাম কৰিবলৈ বাধ্য কৰাৰ লগতে শেহতীয়াকৈ কৰ্মচাৰীসকলক কৰ্মৰ সময়ৰ ভিতৰত ৩০০ লোকৰ তথ্য অন্তৰ্ভুক্ত কৰাটো বাধ্যতামূলক কৰিছিল। কৰ্মচাৰীসকলে জনোৱামতে নিৰ্ধাৰিত সময়ত খুব বেছি ২০০ লোকৰহে তথ্য অন্তৰ্ভুক্তি সম্ভৱ হয়। আনকি যি কৰ্মচাৰীয়ে নিৰ্ধাৰিত হাৰত তথ্য অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হোৱা নাই, সেইসকলৰ প্ৰাপ্য ধন আদায় দিয়া নহ'ব বুলিও প্ৰতিষ্ঠানটোৱে জাননী জাৰি কৰিছিল। শেহতীয়াকৈ তথ্য অন্তৰ্ভুক্তিৰ বাবে কৰ্মচাৰী বিচাৰি চৰকাৰে বাতৰি কাকতত বিজ্ঞাপন দিয়াত ক্ষুব্ধ হৈ উঠে কৰ্মচাৰীসকল। কাৰণ প্ৰতিষ্ঠানটোৰ কৰ্মচাৰীসকলে ৬,২০০ টকা মাহিলি বেতন লাভ কৰাৰ পৰিবৰ্তে সদ্যপ্ৰকাশিত চৰকাৰী বিজ্ঞাপনত একেই কৰ্মচাৰীক দহ হেজাৰ টকা বেতন দিয়াৰ কথা প্ৰকাশিত হয়। প্ৰতিষ্ঠানটোৱে এই কৰ্মচাৰীসকলৰ ক্ষেত্ৰত কিহৰ ভিত্তিত এনে বৈষম্যমূলক নীতি প্ৰয়োগ কৰিছে সেই বিষয়ে তদাৰকী বিষয়া এজনক সোধাত বিষয়াজন খৰ্গহস্ত হৈ পৰে আৰু এজন কৰ্মচাৰীক দুৰ্ব্যৱহাৰৰ অভিযোগ তুলি নিশা প্ৰায় ৮ বজাত চানমাৰি থানালৈ লৈ আহে। এই কাৰ্যত ক্ষুব্ধ হৈ শাখাটোৰ আন কৰ্মচাৰীসকলে স্বতঃস্ফূৰ্তভাৱে থানা চৌহদত উপস্থিত হয় আৰু প্ৰতিষ্ঠানৰ মুৰব্বীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ বাবে দাবী জনায়। কৰ্তব্যৰত আৰক্ষী বিষয়াই প্ৰতিবাদকাৰীসকলৰ সমস্ত কথা শুনি সম্পূৰ্ণ তদন্ত আৰম্ভ কৰিব বুলি আশ্বাস দিয়াত পৰিস্থিতি শান্ত হয়।